# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 08-09-2024
**Time :** 17-15 Hrs

***Assamese Evening Bulletin***
***:::::::::::::::::::***

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ ৯৯ সংখ্যক জয়ন্তী পালন কৰা হৈছে। এই উপলক্ষে আজি পুৱা সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু ড° ভূপেন হাজৰিকা আঞ্চলিক চৰকাৰী চলচ্চিত্ৰ আৰু টেলিভিছন প্ৰতিষ্ঠানৰ সহযোগত  জালুকবাৰীৰ সমাধিস্থলীত স্মৃতি তৰ্পণ কৰা হয়। বিয়লিলৈ ভূপেন হাজৰিকা সমাধিক্ষেত্ৰত সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

আনহাতে শিল্পীগৰাকীৰ জন্মদিনৰ সৈতে সংগতি ৰাখি ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাসৰ উদ্যোগত সাংস্কৃতিক পৰিক্ৰমা বিভাগ আৰু শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ সহযোগত আজিৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে সমন্বয় দিৱস অনুষ্ঠিত হৈছে। সদৌ অসম ছাত্ৰ সন্থায়েও শিল্পীগৰাকীৰ জন্মদিন উপলক্ষে দীঘলীপুখুৰী পাৰত উদ্দীপনা শীৰ্ষক অনুষ্ঠানৰ আয়োজন কৰিছে। দীঘলীপুখুৰী পাৰত থকা ভূপেন হাজৰিকাৰ প্ৰতিমূৰ্তিস্থলীত সন্ধিয়া ৬ বজাৰ পৰা এই অনুষ্ঠান অনুষ্ঠিত কৰা হ'ব। অসম সাহিত্য সভাইও গুৱাহাটীৰ দীঘলীপুখুৰীত সাহিত্যসভাৰ প্ৰশাসনীয় কাৰ্যালয়ৰ চৌহদত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰিছে।

০০০০

ট্ৰেডিঙৰ নামৰ সাধাৰণ ৰাইজৰ ধন লুণ্ঠনৰ গোচৰত অপৰাধ অনুসন্ধান বিভাগে কালি বিশ্বনাথ জিলাৰ গহপুৰৰ পৰা দুজন লোকক গ্ৰেপ্তাৰ কৰিছে। অসম আৰক্ষীয়ে এটা বিবৃতিত প্ৰকাশ কৰিছে যে, এই দুই অভিযুক্তৰ বিৰুদ্ধে অপৰাধ অনুসন্ধান বিভাগে ইতিমধ্যে ভাৰতীয় ন্যায় সংহিতাৰ ভিন্ন ধাৰাৰ অধীনত গোচৰ ৰুজু কৰিছে। উল্লেখযোগ্য যে, মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অনলাইন ট্ৰেডিং সন্দৰ্ভত ব্যৱস্থা গ্ৰহণ কৰা হব বুলি প্ৰকাশ কৰাৰ পাছত এই ধৰণৰ গোচৰৰ তদন্তৰ বাবে গঠন কৰা এছ আই টিত ডিব্ৰুগড়ৰ অতিৰিক্ত আৰক্ষী অধীক্ষক স্বেজাল আগৰৱালা অন্তৰ্ভুক্ত কৰিছে। অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাৰ মহাপৰিদৰ্শক সংযুক্তা পৰাশৰ নেতৃতত্বত গঠিত এছ আই টিৰ দলটোৰ ৭ জন বিষয়াই এই গোচৰৰ তদন্ত কৰিব।

০০০০

ৰাজ্য চৰকাৰে অসম মাধ্যমিক শিক্ষা পৰিষদ আৰু অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ একত্ৰিত কৰি অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদ গঠন কৰিছে। এই পৰিষদৰ অধ্যক্ষ হিচাপে ভাৰতীয় প্ৰশাসনীয় সেৱাৰ অৱসৰপ্ৰাপ্ত বিষয়া আৰ চি জৈনক মনোনীত কৰা হৈছে। আনহাতে, অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ বৰ্তমানৰ অধ্যক্ষ ৰুক্ম গোহাঁই বৰুৱাক উপাধ্যক্ষ হিচাপে নিযুক্তি দিছে। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰে কেবিনেট বৈঠকত অসম মাধ্যমিক শিক্ষা পৰিষদ আৰু অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদক একত্ৰিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল।

০০০০

গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত দুদিনীয়া কাৰ্যসূচীৰে ৰাজহ বিভাগৰ এখন বিশেষ কৰ্মশালা অনুষ্ঠিত হৈছে। এই কৰ্মশালাত তৃতীয় পৰ্যায়ৰ মিছন বসুন্ধৰা ৰূপায়ণ সন্দৰ্ভত বিতংভাৱে আলোচনা কৰা হয়। কৰ্মশালাত ৰাজহ বিভাগৰ শীৰ্ষ বিষয়াৰ লগতে প্ৰতিখন জিলাৰ আয়ুক্ত, অতিৰিক্ত জিলা আয়ুক্তৰ উপৰি চক্ৰ বিষয়াসকল উপস্থিত থাকে। জিলা আয়ুক্তসকলে মিছন বসুন্ধৰা ৰূপায়ণৰ ক্ষেত্ৰত সততে সন্মুখীন হোৱা সমস্যাসমূহ বিভাগীয় শীৰ্ষ আমোলা বিষয়াক অৱগত কৰে। অনুষ্ঠানত মুখ্য অতিথি হিচাপে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা আৰু বিভাগীয় মন্ত্ৰী যোগেন মহন উপস্থিত থাকে।

০০০০

বজালী জিলাৰ পাঠশালাত আজি ভাৰতীয় জনতা পাৰ্টীৰ সদস্য ভৰ্তি অভিযান অনুষ্ঠিত হয়। এই কাৰ্যসূচীত অসম প্ৰদেশ বিজেপিৰ সাধাৰণ সম্পাদক পল্লৱ লোচন দাস আৰু মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস উপস্থিত থাকে। এই অনুষ্ঠানত সহস্ৰাধিক লোকে আনুষ্ঠানিকভাৱে দলটোত যোগ দিয়ে। অনুষ্ঠানত মন্ত্ৰী দাসে কয় যে দলৰ এই অভিযানত পুৰণি সকলো সদস্যই পুনৰ পঞ্জীয়ন কৰিব লাগিব। সমগ্ৰ দেশত এই অভিযানৰ অধীনত ১৯ কোটি সদস্য ভৰ্তিৰ লক্ষ্য লোৱা হৈছে বুলি তেওঁ উল্লেখ কৰে।

০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে আজিৰেপৰা ৰাজ্যৰ বিভিন্ন প্ৰান্তত ধাৰাসাৰ বৰষুণ হোৱাৰ আশংকা কৰি সতৰ্কতা জাৰি কৰিছে। অসমৰ লগতে মণিপুৰ, ত্ৰিপুৰা, মধ্যপ্ৰদেশ, চত্তিশগড়, গোৱা, কোংকন, বিদৰ্ভ, কৰ্ণাটকৰ উপকূলভাগ আৰু পূব-উত্তৰ প্ৰদেশৰ ঠাই বিশেষে ধাৰাষাৰ বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে। বতৰ বিজ্ঞান বিভাগে লগতে মধ্য মহাৰাষ্ট্ৰ, তেলেংগানা আৰু ওড়িশাত কাইলৈ পৰ্যন্ত মূষলধাৰ বৰষুণ হব পাৰে  বুলি সম্ভাৱনা প্ৰকাশ কৰিছে।

০০০০

অসম ক্ৰিকেট সন্থাৰ উদ্যোগত আৰু বৰপেটা জিলা ক্ৰীড়া সন্থাৰ সহযোগত বৰপেটাত মহিলাৰ ১৯ বছৰ অনুৰ্ধ ৰাজ্যিক ক্ৰিকেট দল গঠনৰ বাবে শিবিৰ অনুষ্ঠিত হৈছে। জিলা ক্ৰীড়া সন্থাৰ খেল-পথাৰত অহা ২৪ ছেপ্তেম্বৰ পৰ্যন্ত এই শিবিৰ মুকলি থাকিব। ৰাজ্যৰ বিভিন্ন জিলাৰ বাছনিপ্ৰাপ্ত ৬০ গৰাকী খেলুৱৈ এই কাৰ্যসূচীত উপস্থিত আছে। উল্লেখযোগ্য যে জিলা পৰ্যায়ত অনুষ্ঠিত প্ৰতিযোগিতাৰ পৰা এইসকল খেলুৱৈয়ে ৰাজ্যিক শিবিৰলৈ বাছনি কৰা হৈছে। তেওঁলোকৰ মাজৰ পৰাই অহা ২৮ ছেপ্তেম্বৰত ১৫ জনীয়া ৰাজ্যিক দল গঠন কৰা হ'ব। এই শিবিৰত খেলুৱৈসকলৰ শাৰীৰিক সক্ষমতা, দক্ষতাৰ পৰীক্ষা লোৱাৰ উপৰি খেলৰ বিভিন্ন কৌশলৰ প্ৰশিক্ষণ দিয়া হ'ব বুলি প্ৰশিক্ষক মনোজ বায়নে জানিবলৈ দিয়ে।

০০০০

সমাপ্ত